**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-02-2025
**Time :** 0900 Hrs.

# *Assamese Morning Bulletin*

0000000

১। অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি সামৰণি। অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলনেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ।

২। অবৈধ অনুপ্ৰৱেশকাৰী বহিস্কাৰৰ পৰিৱৰ্তে ডিটেনচন শিবিৰত ৰখা বিষয়ক লৈ উচ্চতম ন্যায়ালয়ৰ কেন্দ্ৰীয় চৰকাৰক কৈফিয়ৎ তলব।

৩। ৰাজ্যৰ ঔদ্যোগিক আৰু আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে আয়োজিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি অব্যাহত।

৪। ২০২৫-২৬ বৰ্ষত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল খণ্ডত ১০ হাজাৰ ৪৪০ কোটি টকা ব্যয় কৰা হ'ব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰকাশ।

*আৰু*

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি পদক নিশ্চিত কৰাৰ লক্ষ্যৰে মহিলা বক্সাৰ লাভলীনা বৰগোঁহাইৰ ৭৫ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ।

0000000

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি সামৰণি পৰিব। আজি অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলনেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছতে আকাশ শীৰ্ষক মহিলাসকলৰ প্ৰতিভা বিকাশৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আবেলিৰ ভাগত নাট্য সন্মিলন আৰু অসম সাহিত্য সভাৰ বিভিন্ন বঁটা প্ৰদান অনুষ্ঠানৰ লগতে আজীৱন সভ্য সন্মিলনৰো আয়োজন কৰা হৈছে। সন্ধিয়াৰ ভাগত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। কালি চতুৰ্থ দিনা বুৰঞ্জী সন্মিলনেৰে কাৰ্যসূচী আৰম্ভ হয়। প্ৰাচীন কামৰূপৰ ঐতিহ্যৰ বিষয়ে এই সন্মিলনত আলোচনা কৰা হয়। ইয়াৰ পাছতে বজালী ভিত্তিত লোক সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। কালিৰ অনুষ্ঠানতে দুলীয়াজান শাখা সমিতিয়ে সাহিত্যসভাৰ পৰৱৰ্তী অধিৱেশনক আমন্ত্ৰণ জনায়। আজি সাহিত্যসভাৰ অনুষ্ঠান সম্পৰ্কত সভাথলিৰ পৰা আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰ-

*(বাইট)*

0000000

অবৈধ অনুপ্ৰৱেশকাৰীক বহিষ্কাৰৰ পৰিৱৰ্তে ডিটেনচন শিবিৰত ৰখা বিষয়ক লৈ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক জবাববিহি কৰিছে। ন্যায়ালয়ে বিদেশী আইন ১৯৪৬ মতে অবৈধ বিদেশীৰ চিনাক্তকৰণ আৰু বহিষ্কাৰৰ

ক্ষেত্রত থকা স্পষ্ট ব্যৱস্থা আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ২০০৯ চনতে নিৰ্দেশনা জাৰী কৰাৰ পাছতো আইনীভাৱে চিনাক্ত অবৈধ বিদেশী তথা অনুপ্ৰৱেশকাৰীক বহিষ্কাৰ নকৰি কিয় অনিৰ্দিষ্ট সময়লৈ ডিটেনচন শিবিৰত ৰখা হৈছে সেই সন্দৰ্ভত ব্যাখ্যা বিচাৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ অবৈধ বিদেশীৰ বহিষ্কাৰ সম্পৰ্কীয় ২০০৯ চনৰ নিৰ্দেশনাক প্ৰত্যাহ্বান জনোৱা এখন আবেদন সন্দৰ্ভত শুণানি গ্ৰহণৰ পাছত ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ আৰ মহাদেৱনৰ বিচাৰীপীঠে চিনাক্ত কৰা বিদেশীৰ বহিষ্কাৰত হোৱা বিলম্বক লৈ কেন্দ্ৰীয় চৰকাৰক পুনৰ প্ৰশ্ন কৰে। বিদেশী আইনৰ অধীনত দোষী সাব্যস্ত কৰা তথা শাস্তিৰ ম্যাদ অন্ত পৰা অনুপ্ৰৱেশকাৰীৰ সংখ্যা তথা তেওঁলোক কোন কোন ডিটেচন শিবিৰ আৰু সংশোধন কেন্দ্ৰত আবদ্ধ হৈ আছে তাৰ তথ্য দাখিল কৰিবলৈও বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিয়ে।

ইয়াৰ পূৰ্বেও উচ্চতম ন্যায়ালয়ে গোৱালপাৰাৰ মাটিয়াৰ বিদেশী ডিটেনচন শিবিৰত চিনাক্ত হোৱা অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰৰ পৰিৱৰ্তে আবদ্ধ কৰি ৰখা প্ৰসংগত যোৱা ২২ ডিচেম্বৰত অসম চৰকাৰক কৈফিয়ৎ তলব কৰিছিল। ডিটেনচন শিবিৰত আবদ্ধ কৰি ৰখা ঘোষিত বিদেশীক বহিষ্কাৰ কৰিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত সবিশেষ জনাবলৈ উচ্চতম ন্যায়ালয়ে অসমৰ মুখ্য সচিবক নিৰ্দেশ দিছিল।

০০০০০০০

অসমৰ ঔদ্যোগিক আৰু আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে ৰাজ্যখনলৈ বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত আয়োজিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এই সন্মিলনত কমেও ১২ খন ৰাষ্ট্ৰই অংশ লোৱাৰ কথা। সন্মিলনত অংশ লোৱাৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ অসমত উপস্থিত হ'ব বুলি উদ্যোগ মন্ত্ৰী বিমল বৰাই কালি প্ৰকাশ কৰে। সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া সৰ্ববৃহৎ ঝুমুৰ নৃত্যৰ অনুষ্ঠানটো প্ৰধানমন্ত্ৰীয়ে অংশ ল'ব বুলি মন্ত্ৰী শ্ৰী বৰাই প্ৰকাশ কৰে। ২৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্ৰীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণ কৰাৰ লগতে উদ্যোগ মন্ত্ৰী বিমল বৰা আৰু আন কেইবাগৰাকীও মন্ত্ৰীয়ে দেশে-বিদেশে বিভিন্ন স্থানত ৰোড শ্ব' আৰু অন্যান্য কাৰ্যসূচীত অংশ লয়। উদ্যোগ মন্ত্ৰীগৰাকীয়ে কালি এডভাণ্টেজ আছামৰ সভাগৃহ, প্ৰদৰ্শনী, সন্মিলন কক্ষ আদি পৰিদৰ্শন কৰাৰ লগতে ইয়াৰ প্ৰস্তুতি সন্দৰ্ভত বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাক সাক্ষাৎ কৰে। একেদৰে সমাগত এডভাণ্টেজ আচাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ সময়ছোৱাত শ্ৰীবৈষ্ণৱে ৰাজ্যখনক আন্তৰ্জাতিক পৰ্যায়ত চেমিকণ্ডাক্টৰ খণ্ডৰ এখন উল্লেখযোগ্য ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰিবলগীয়া পৰিকল্পনাসমূহ স্পষ্ট কৰি দিব বুলিও তেওঁ প্ৰকাশ কৰে। এই ক্ষেত্ৰত শ্ৰীবৈষ্ণৱৰ ইতিবাচক মনোভাৱে সম্ভাব্য বিনিয়োগকাৰীসকলৰ মনত অসম সম্পৰ্কে সদভাৱ সৃষ্টি কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীকো সাক্ষাৎ কৰি ৰাজ্যখনত চলি থকা ঘাইপথ প্ৰকল্পসমূহৰ বিষয়ে আলোচনা কৰে। ৰাজ্যত বিশ্বমানৰ পথ ব্যৱস্থা গঢ়ি তুলিবলৈ এক লাখ কোটি টকা বিনিয়োগ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। সমাগত এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণত

শ্ৰীগাডকাৰীয়ে দক্ষিণ পূৱ এছিয়াৰ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতক সংযযুক্ত কৰাৰ ক্ষেত্ৰত সেতু হিচাপে অসমৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰিব বুলিও প্ৰকাশ কৰে।

০০০০০০০

২০২৫-২৬ বৰ্ষত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল খণ্ডত ১০ হাজাৰ ৪৪০ কোটি টকা ব্যয় কৰা হ'ব। কেন্দ্ৰীয় বাজেটত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ আবণ্টনৰ পৰিমাণ বিগত বিত্তীয় বৰ্ষৰ বাজেটতকৈ ৪৭ শতাংশ বৃদ্ধি কৰা হৈছে। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি উত্তৰ-পূৰ্বাঞ্চলৰ সংবাদ কৰ্মীসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিঙ ব্যৱস্থাৰে মত বিমিনয় কৰি এই বিষয়ে প্ৰকাশ কৰে। ৰে'ল মন্ত্ৰীগৰাকীয়ে কালি আবেলি নতুন দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ যোগেদি গুৱাহাটীৰ মালিগাঁৱৰ উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ত উপস্থিত সাংবাদিকসকলৰ আগত এই বিষয়ে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয়, যে ২০২৫-২৬ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰে'লযাত্ৰীসকলৰ সুবিধাৰ্থে যোৱা জানুৱাৰী মাহৰ পৰা অসমত তিনিখন নতুন ৰে'লগাড়ী প্ৰৱৰ্তন কৰাৰ বিষয়েও শ্ৰীবৈষ্ণৱে উল্লেখ কৰে। তেওঁ কয়, যে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধীনত ৰে'লপথত থকা লেভেল ক্ৰচিং, আণ্ডাৰ পাছ অৰ্থাৎ ভূ-তল সুৰংগ নিৰ্মাণ আৰু ৰে'ল ষ্টেচনসমূহৰ উন্নয়নৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হ'ব। ২০১৪-১৫ বৰ্ষৰ তুলনাত ২০২৫-২৬ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল শিতানত আবণ্টিত ধনৰ পৰিমাণ পাঁচ গুণ বৃদ্ধি পাইছে বুলি ৰে'ল মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ত আজি গুণোৎসৱ ২০২৫ৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাচাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰীত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। তদুপৰি কোকৰাঝাৰ আৰু ওদালগুৰি জিলাৰ পূৰ্বে বৈ যোৱা একাংশ বিদ্যালয়তো গুণোৎসৱ সম্পন্ন হ'ব। আজি স্ব-মূল্যায়ন আৰু কাইলৈৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০০০

নগাঁও জিলাৰ ছাপানালাৰ ছম্পাৱতী জলপ্ৰপাতৰ ওচৰত কাইলৈৰ পৰা দুদিনীয়াকৈ মহা কুণ্ড মেলাৰ আয়োজন কৰা হৈছে। মেলা উদযাপন সমিতিয়ে প্ৰকাশ কৰা মতে এই মেলাত অংশ ল'বলগীয়া লোকসকলৰ সুবিধাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নগাঁও জিলাৰ পুৰণি গুডামৰ গড়মূৰ তিনিআলিৰ পৰা ১৫ কিলোমিটাৰ পূব দিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ছাপানালা অঞ্চললৈ অগণন লোকৰ সমাগম হয়। নগাঁও কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী চোৰাং বনাঞ্চলৰ লেমলেবি নামৰ পাহাৰখনৰ বুকুৰে নামি অহা চম্পাৱতী জলপ্ৰপাতত মাঘ মাহৰ শুক্লা সপ্তমি তিথিত স্নান কৰিলে পূণ্য অৰ্জন হয় বুলি ধৰ্মীয় বিশ্বাস প্ৰচলিত আছে।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কাইলৈৰ পৰা চৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় বাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত আয়োজিত এই মহোৎসৱত আফ্ৰিকাক কেন্দ্ৰীয় বিষয় হিচাপে লোৱা হৈছে। ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ লেখক-সাহিত্যিকে এই মহোৎসৱত অংশ ল'ব। ইটালী, ইংলেণ্ড,

পর্টুগাল, ইউক্রেইন, স্পেইনকে ধৰি দেশসমূহৰ লগতে ভাৰতৰ ভালেসংখ্যক খ্যাতনামা সাহিত্যিকে অনুষ্ঠানত ভাগ ল'ব। অসমৰ অনুৰাধা শৰ্মা পূজাৰী, অৰুপা পটংগীয়া কলিতা, বিপুল দেউৰী, কৰবী ডেকা হাজৰিকাৰ উপৰি নতুন প্ৰজন্মৰ কেইবাগৰাকীও লেখকে এই অনুষ্ঠানত অংশ ল'ব। সাহিত্য মহোৎসৱৰ সবিশেষ জানিবলৈ www.dibrulitfest.com ৱেবছাইট চাব পাৰে।

0000000

অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ ৰহা মীন মহাবিদ্যালয় আৰু ভাৰতীয় কৃষি অনুসন্ধান পৰিষদ তথা উত্তৰাখণ্ডৰ শীতল জল মৎস্য গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত ৰহাত অনুষ্ঠিত মাছৰ আনবিক শ্ৰেণী বিভাজনৰ সাদিনীয়া প্ৰশিক্ষণৰ কালি সামৰণি পৰে। ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই প্ৰশিক্ষণৰ অসম, মণিপুৰ, নাগালেণ্ড, ত্ৰিপুৰা, পশ্চিমবংগ, তামিলনাডু, গুজৰাট আৰু বিহাৰৰ ২৯ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। মীন মহাবিদ্যালয়ৰ অধ্যাপকসকলৰ উপৰি আন কেইবাগৰাকীও সমল ব্যক্তিয়ে অনুষ্ঠানত অংশ লয়। যোৱা ১ ফেব্ৰুৱাৰীত এই প্ৰশিক্ষণৰ অংশ হিচাপে অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ পশু জীৱ প্ৰযুক্তি বিভাগলৈ শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰা হয়। কালি সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ উত্তৰ-পূব আঞ্চলিক কাৰ্যলয়ৰ প্ৰধান বিষয়া ড০ হেমেন হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

0000000

পাঠশালাত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম অধিৱেশন, এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণক লৈ ৰাজ্য চৰকাৰৰ তৎপৰতা, বনাঞ্চলক লৈ উচ্চতম ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশ, আনন্দ উল্লাসেৰে ৰাজ্যত সৰস্বতী পূজা উদযাপনকে ধৰি আন বিভিন্ন বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইয়াৰে অসম সাহিত্য সভা সম্পৰ্কীয় বাতৰিটো **দৈনিক অসম** কাকতে **অগণিত লোকৰ ভীৰ, জীপাল পাঠশালা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অব্যাহত থকা তৎপৰতাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী ডং শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি এডভাণ্টেজ আছামলৈ আমন্ত্ৰণ জনোৱাৰ বাতৰি এটা **দৈনিক অগ্ৰদূত, অসমীয়া খবৰ**কে ধৰি কেইবাখনো কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে PM to attend advantage Assam 2.0 summit, four Union ministers to chair four different sessions শিৰোনামেৰে প্ৰকাশ কৰিছে। **দ্যা চেন্টিনেল** কাকতেও বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

বন সংৰক্ষণ আইনক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত তৰা এটা গোচৰৰ শুনানি গ্ৰহণ কৰি বন ধ্বংস হ'ব পৰা পদক্ষেপ নল'বলৈ কেন্দ্ৰ আৰু ৰাজ্যক ন্যায়ালয়ে সকীয়নি দিয়াৰ বাতৰিটো আজি **দৈনিক জনমভূমি**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বাংলাদেশৰ এগৰাকী যুৱতীক লৈ গুৱাহাটীৰ এখন হোটেলত কেইবাজনো যুৱকে অসামাজিক কাৰ্যকলাপত লিপ্ত হোৱাৰ এটা বাতৰি আজি **নিয়মীয়া বাৰ্তা** আৰু **আমাৰ অসম** কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দ্যা টাইমছ অব্ ইণ্ডিয়াই** ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য পুনৰ হ্ৰাস পোৱাৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

0000000

কেন্দ্ৰীয় অসামৰিক পৰিবহন মন্ত্ৰ্যালয়ে ৰাজ্যখনত দুটা গ্ৰীণ ফিল্ড বিমানবন্দৰ নিৰ্মাণৰ বাবে প্ৰস্তাৱ লাভ কৰিছে। ৰাজ্যসভাত কালি এটা প্ৰশ্নৰ উত্তৰত অসামৰিক বিমান পৰিবহন ৰাজ্য মন্ত্ৰী মুৰলীধৰ মোহনে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে ২১টা গ্ৰীণ ফিল্ড বিমানবন্দৰ নিৰ্মাণৰ বাবে অনুমোদন জনাইছে। ইয়াৰে ভিতৰত ১২ টা গ্ৰীণ ফিল্ড বিমানবন্দৰ বৰ্তমান কাৰ্যক্ষম হৈ আছে আৰু ৯ টা কাৰ্যক্ষম হ'বলৈ এতিয়াও বাকী আছে। ইয়াৰ উপৰি কাছাৰ আৰু কাৰ্বি আংলঙকে ধৰি দেশৰ ১১টা ভিন্ন স্থানত নতুন গ্ৰীণ ফিল্ড বিমান বন্দৰ নিৰ্মাণ কৰাৰ বাবে মন্ত্ৰ্যালয়ে প্ৰস্তাৱ লাভ কৰিছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ ভিতৰুৱা অঞ্চলসমূহতো বিমান যোগাযোগ উন্নত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে ২০১৬ চনৰ অক্টোবৰত উড়ান আঁচনিৰ শুভাৰম্ভ কৰিছে।

0000000

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি পদক নিশ্চিত কৰাৰ লক্ষ্যৰে অলিম্পিক পদক জয়ী মহিলা বক্সাৰ লাভলীনা বৰগোহাইয়ে ৭৫ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলিব। নৱাগত বক্সাৰ অভিনৱ শইকীয়াইয়ো আজি পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাত কোৱাৰ্টাৰ ফাইনেল খেলিব।

0000000

আই এছ্ এল ফুটবল প্ৰতিযোগিতাত কালি সন্ধিয়া ওড়িশাৰ কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত ওড়িশা ফুটবল ক্লাব আৰু আৰু নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজৰ খেলখন ২-২ গ'লত অমীংমাসিত হৈ ৰয়। নৰ্থ-ইষ্ট ইউনাইটেডৰ হৈ আলাদ্দিন আজাৰাইয়ে খেলখনৰ ৬৭ মিনিটত প্ৰথমটো গ'ল দিয়ে। খেলখনৰ ৭৮ মিনিটত ওড়িশাৰ থৈবা সিং মৈৰাংথেমে এটা গল দি সমতা স্থাপন কৰে। পুনৰ ৮৩ মিনিটত আজাৰাইয়ে নৰ্থ-ইষ্টৰ হৈ দ্বিতীয়টো গ'ল দিয়ে যদিও অতিৰিক্ত সময়ত আইজাক ভানলালৰুৱাতফেলাই ওড়িশা ফুটবল ক্লাবৰ হৈ এটা গল দিয়াত খেলখন অমীংসিত হয় ৰয়। প্ৰতিযোগিতাত কাইলৈ মোহন বাগান ফুটবল ক্লাবে পাঞ্জাব ফুটবল ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

0000000

মঙলদৈ জনাৰামচৌকাৰ কবিকাৰা গাঁও নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া, বিশিষ্ট সমাজ সেৱক জগত চন্দ্ৰ হাজৰিকাৰ যোৱানিশা কাৰণত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ।

0000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী

ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰিব বুলি আগলি বতৰা দিছে।

0000000

**সমাপ্ত**